**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::

১। লোকসভাত নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে।

২। দেশপ্ৰেম, ত্যাগ আৰু ৰাষ্ট্ৰীয় চেতনাৰ প্ৰতীক হৈ পৰা ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমে দেশৰ স্বাধীনতা আন্দোলনৰ পথ প্ৰশস্ত কৰিছিল বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত মানৱ অধিকাৰ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দিব।

৪। প্ৰধানমন্ত্ৰী কিষাণ আঁচনি প্ৰৱৰ্তনৰ পাছৰে পৰা কেন্দ্ৰীয় চৰকাৰে ২১ টা কিস্তিৰ জৰিয়তে কৃষকক ৪ লাখ কোটি টকাৰো অধিক ধন প্ৰদান কৰিছে। ***আৰু***

৫। কটকত অনুষ্ঠিত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাই টছত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনাইছে।

০০০০

লোকসভাত নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ মনিষ তিৱাৰীয়ে কয়, যে নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ কাৰণ দাখিল কৰা উচিত। তেওঁ কয় যে দেশৰ কেইবাখনো ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ প্ৰক্ৰিয়া চলি আছে যদিও নিৰ্বাচন আয়োগৰ পুংখানুপুংখ সংশোধন চলোৱাৰ আইনী অধিকাৰ নাই। তেওঁ লগতে আটাইবোৰ ভিভি পেট মেচিনৰ গণনা কৰিব লাগে নতুবা পুৰণি বেলট ব্যৱস্থালৈ ঘুৰি যাব লাগে বুলি পৰামৰ্শ আগবঢ়ায়। নিৰ্বাচন আয়োগক বাচনি কৰাৰ বাবে গঠন কৰা কমিটিত ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা আৰু উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অন্তৰ্ভুক্ত কৰা উচিত বুলিও তেওঁ পৰামৰ্শ দিয়ে।

আলোচনাত ভাগ লৈ বিজেপিৰ সঞ্জয় জয়ছোৱালে কয়, যে বিৰোধী পক্ষই বিহাৰৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত সন্মুখীন হোৱা পৰাজয়ৰ পৰা জনসাধাৰণৰ মনোযোগ অন্য ফালে ঢাল খুওৱাৰ বাবে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ বিষয়টো উত্থাপন কৰিছে। ১৯৪৭ চনত কংগ্ৰেছৰ কাৰ্যকৰী কমিটিৰ আটাইকেইগৰাকী সদস্য চৰ্দাৰ বল্লভ ভাই পেটেলৰ সৈতে থকা সত্বেও তেওঁক প্ৰধানমন্ত্ৰীৰ দায়িত্ব অৰ্পন নকৰাত ভোট চুৰিৰ প্ৰথমট ঘটনা ঘটিছিল বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে লগতে ১৯৭৫ চনত জৰুৰীকালিন অৱস্থা আৰু ১৯৮৭ চনৰ কাশ্মীৰৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ ভোট চুৰিৰ নিদৰ্শন বুলি অভিহিত কৰে।

সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে আলোচনাত ভাগ লৈ কয় যে নিৰ্বাচন আয়োগ নিৰপেক্ষ হলেহে সংস্কাৰ সম্ভৱ। তেওঁ লগতে ভোট গ্ৰহণৰ বাবে পুৰণি বেলট ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ আগবঢ়ায়। শ্ৰীযাদৱে জাৰ্মানী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে প্ৰযুক্তিগত দিশৰ পৰা অধিক উন্নত ৰাষ্ট্ৰসমূহে

বেলট পেপাৰেৰে ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বিপৰীতে ভাৰতে কিয় ই ভি এম ব্যৱহাৰ কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰে।

আলোচনাত অংশ লৈ তৃণমূল কংগ্ৰেছৰ কল্যান বেনাৰ্জীয়ে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ কামৰ হেচাৰ বাবে দেশৰ বিভিন্ন অংশত কেইবাগৰাকীও বুথ পৰ্যায়ৰ বিষয়াৰ প্ৰাণনাশ হোৱা বুলি অভিযোগ তোলে। কেন্দ্ৰীয় মন্ত্ৰী তথা জে দি ইউৰ নেতা ৰাজীৱ ৰঞ্জন সিঙে কয় যে নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়া চলাই আছে আৰু ইয়াত কোনো ভূল নাই। তেওঁ কয় যে সমগ্ৰ বিশ্বই ভাৰতক নিৰপেক্ষভাৱে নিৰ্বাচন অনুষ্ঠিত হৈ অহাটো প্ৰত্যক্ষ কৰি আছে। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ সাংসদ অনিল দেশাই আলোচনাত ভাগ লৈ কয় যে দল ত্যাগ বিৰোধী আইনখন অচল হৈ পৰিছে। ই ভি এমৰ ঠাইত বেলট পেপাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে বুলিও তেওঁ মন্তব্য কৰে। এন চি পিৰ- এছ চি পি গোটৰ নেত্ৰী সুপ্ৰিয়া সুলেৰ নিৰ্বাচনৰ সময়ত সংঘটিত হিংসা আৰু দূৰ্নীতিৰ বিষয় উত্থাপন কৰে।

০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৯ লাখৰো অধিক গণনাপত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। বিতৰণ কৰা প্ৰ-পত্ৰৰ সংখ্যা এই পৰ্যায়ত সামৰি ল'বলগীয়া ৫১ কোটি ভোটদাতাৰ প্ৰায় ৯৯ দশমিক ৯-৭ শতাংশ। আয়োগে প্ৰকাশ কৰা মতে বৰ্তমানলৈকে প্ৰায় ৫০ কোটি প্ৰপত্ৰৰ ডিজিটেল ৰূপ প্ৰদানৰ কাম সম্পূৰ্ণ হৈছে। দেশৰ ৯খন ৰাজ্য আৰু তিনিটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৪ নৱেম্বৰত দ্বিতীয় পৰ্যায় ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল। ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

০০০০

দেশপ্ৰেম, ত্যাগ আৰু ৰাষ্ট্ৰীয় চেতনাৰ প্ৰতীক হৈ পৰা ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমে দেশৰ স্বাধীনতা আন্দোলনৰ পথ প্ৰশস্ত কৰিছিল বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি বন্দে মাতৰম গীতৰ ডেৰশ বছৰীয়া বাৰ্ষিকী সন্দৰ্ভত আলোচনাৰ পাতনি মেলি শ্ৰীশ্বাহে কয়, যে এই অমৰ সৃষ্টিৰাজিয়ে দেশমাতৃৰ প্ৰতি কৰ্তব্য আৰু উৎসৰ্গাৰ মনোভাৱ যোগাই তোলে। বন্দে মাতৰমৰ আৱশ্যকতা স্বাধীনতা সংগ্ৰামৰ সময়তো আছিল আৰু আজিও আছে আৰু ২০৪৭ চনত ভাৰতবৰ্ষ বিকশিত ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱাৰ সময়তো ইয়াৰ প্ৰাসংগিকতা অক্ষুন্ন থাকিব বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। শ্ৰীশ্বাহে কয়, যে স্বাধীনতা সংগ্ৰামীসকলে বন্দে মাতৰম গীতটি গাই প্ৰতিখন সভা আৰম্ভ কৰিছিল আৰু আজি বীৰ সৈনিকসকলে সীমান্তত চৰম বলিদান দিলে এই গীত পৰিবেশন কৰা হয়। তেওঁ কয় যে বংকিম চন্দ্ৰ চট্টোপধ্যায়ে বন্দে মাতৰমৰ মাধ্যমেৰে দেশমাতৃক পূজা কৰাৰ সংস্কৃতি, পৰম্পৰা আৰু সাংস্কৃতিক জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিছিল। তেওঁ কয় যে সকলো বাধা, নিৰ্যাতন আৰু অনেক জটিলতা নেওচি বন্দে মাতৰম গীতটি দেশবাসীৰ হৃদয় স্পৰ্শ কৰে আৰু কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ বিয়পি পৰে। দেশৰ সংস্কৃতিক দুৰ্বল কৰি তোলা কেইবাশতিকাজোৰা ইছলামিক আক্ৰমণৰ পৃষ্ঠভূমিত ব্ৰিটিছসকলৰ নতুন সভ্যতা -সংস্কৃতি জাপি দিয়াৰ প্ৰচেষ্টাৰ প্ৰতিক্ৰিয়া স্বৰূপে বন্দে মাতৰম গীতৰ সৃষ্টি হৈছিল বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে সংসদৰ উভয় সদনত বন্দে মাতৰম সন্দৰ্ভত হোৱা আলোচনাই ভৱিষ্যত প্ৰজন্মক ইয়াৰ বাস্তৱিক গুৰুত্ব আৰু গৌৰৱ অনুধাৱন কৰাত সহায় কৰিব।

আলোচনাত অংশ গ্ৰহণ কৰি ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা  মল্লিকাৰ্জুন খাৰ্গে কয় যে কংগ্ৰেছে স্বাধীনতা সংগ্ৰামৰ সময়ত বন্দে মাতৰমৰ ধ্বনি দিছিল। তেওঁ কয় যে ১৯২১ চনত মহাত্মা গান্ধীয়ে অসহযোগিতা আন্দোলন আৰম্ভ কৰাৰ সময়ত কংগ্ৰেছৰ লাখ লাখ স্বাধীনতা সংগ্ৰামীয়ে বন্দে মাতৰম ধ্বনি দি কাৰাগাৰলৈ গৈছিল। গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে ১৮৯৬ চনত কলকাতাৰ কংগ্ৰেছ অধিবেশনত প্ৰথমবাৰৰ বাবে এই গীত গাইছিল বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত মানৱ অধিকাৰ দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দিব। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে আয়োজন কৰা এই অনুষ্ঠানত ১৯৪৮ চনত গ্ৰহণ কৰা সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হ'ব।

এইবেলি মানৱ অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে **অত্যাৱশ্যকীয় জনসেৱা আৰু সকলোৰে বাবে মৰ্যাদা**। মানৱ অধিকাৰ আয়োগে এই বিষয়ৰ লগত ৰজিতা খোৱাকৈ এখন সন্মিলনৰ আয়োজন কৰিব। সন্মিলনত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰধান সচিব ড০ পি কে মিশ্ৰই সকলোৰে বাবে সাৰ্বজনীন, সমতাপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণ জনসেৱা সন্দৰ্ভত মূল ভাষণ প্ৰদান কৰিব। সন্মিলনত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ, ৰাষ্ট্ৰীয় আয়োগ, চৰকাৰী বিষয়া, নাগৰিক সমাজ আৰু ভালেসংখ্যক শিক্ষাবিদ উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী কিষাণ আঁচনি আৰম্ভ হোৱাৰে পৰা কেন্দ্ৰীয় চৰকাৰে ২১ টা কিস্তিৰ জৰিয়তে ৪ লাখ কোটি টকাৰো অধিক ধন কৃষকক প্ৰদান কৰিছে। লোকসভাত আজি প্ৰশ্নকালৰ সময়ত পৰিপূৰক উত্তৰ দি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ চৌহানে কয়, যে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰা লাভ কৰা পৰিক্ষিত তথ্যৰ আধাৰত প্ৰধানমন্ত্ৰী কিষাণ পোৰ্টেলত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে হিতাধিকাৰীসকললৈ সহায় ধন বিতৰণ কৰা হয়। শ্ৰীচৌহানে লগতে কয় যে প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত কোনো ভৌতিক আৰু আৰ্থিক লক্ষ্য নাথাকে।

০০০০

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মুঠ ৯২ হাজাৰ ৩৭৬ খন গাওঁ পঞ্চায়তে কম্পিউটাৰ পৰিচালিত বৈঠক **সাৰাংশৰ** বাবে **সভাসাৰ এপ** ব্যৱহাৰ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত পঞ্চায়তীৰাজ মন্ত্ৰী ৰঞ্জন সিঙে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে **সভাসাৰ এপ**ৰ কাৰ্যদক্ষতা সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ বাবে অহৰহ প্ৰয়াস কৰি আছে।

০০০০

আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত  যোৱা বিত্তীয় বৰ্ষত ২ কোটিৰো অধিক আবেদনকাৰীক ২৮ হাজাৰ কোটিতকৈ অধিক টকা প্ৰদান কৰা হৈছে। আজি ৰাজ্যসভাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী প্ৰতাপৰাও যাদৱে কয়, যে এই আঁচনিৰ জৰিয়তে ১২ কোটি পৰিয়ালক ৫ লাখকৈ স্বাস্থ্যবীমা প্ৰদান কৰা হৈছে। শ্ৰীযাদৱে লগতে কয় যে চলিত বৰ্ষৰ অক্টোবৰ মাহলৈকে এই আঁচনিৰ অধীনত ৪২ কোটিতকৈ অধিক লোকে আয়ুষ্মান কাৰ্ড লাভ কৰিছে। লগতে জ্যেষ্ঠ নাগৰিকৰ বাবে আয়ুষ্মান ভাই বন্দনা শ্ৰেণীৰ অধীনত ৮৯ লাখৰো অধিক কাৰ্ড প্ৰদান কৰা হৈছে।

০০০০

আলহী দল দক্ষিণ আফ্রিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰত আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হৈছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি এই বাতৰি যুগুতোৱাৰ পৰলৈকে এক অভাৰত এটা উইকেট হেৰুৱাই ৬ ৰান সংগ্ৰহ কৰি খেলি আছে।

এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ